# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-04-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

\- - - - - - - - - - - - -

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ আজি উৰুকা। ইতিমধ্যে কাইলৈ গো-ধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালনৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। পৰহিলৈ অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যজুৰি বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে।

গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে স্থাপিত গামোচাৰ বিপণীৰ লগতে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্‌যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ডং ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব।

০০০০০

পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪ খন জিলা পৰিষদত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০ টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন

হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। বজালী জিলাত চাৰিখনকৈ আঞ্চলিক পঞ্চায়ত বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ৰ দিয়ে অগ্ৰসৰ হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

অহা ২ মে'ত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'বলগীয়া ধেমাজি জিলাত ১২ খন জিলা পৰিষদৰ বাবে ৩৯ জন প্ৰাৰ্থীয়ে আৰু ৫ খন আঞ্চলিক পঞ্চায়তৰ বাবে ১৩৯ জন প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়তৰ ৬৫০টা ৱাৰ্ড সদস্যৰ বাবে এহেজাৰ ৭৭০ জনে মনোনয়ন পত্ৰ দাখিল কৰিছে।

০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নৱ নিৰ্বাচিত পাৰিষদসকলে আজি শপতগ্ৰহণ কৰিব। দুধনৈৰ ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়ত বিয়লি ৩ বজাত শপত গ্ৰহণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী বিধায়ক এই কাৰ্যসূচীত অংশ লোৱাৰ কথা।

০০০০০

সমাগত পঞ্চায়ত নিৰ্বাচন ২০২৫ ৰ পৰিপ্ৰেক্ষিতত জিলা আয়ুক্ত জয় শিৱানীয়ে আজি নিৰ্বাচনৰ ষ্ট্ৰং ৰুম স্থাপন কৰিবলগীয়া স্থান পৰিদৰ্শন কৰে। উল্লেখযোগ্য যে যোৰহাট চৰকাৰী আৰু বহুমুখী বালক বিদ্যালয়ত এইবাৰ পঞ্চায়ত নিৰ্বাচনৰ ষ্ট্ৰং ৰুম স্থাপন কৰা হ'ব। পৰিদৰ্শনকালত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তদ্বয় আৰু নিৰ্বাচনী বিষয়াৰ লগতে আন আন সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০০০

অসম ৰাজ্যিক শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ বাবে নামভৰ্তিৰ নিৰ্দেশনা জাৰি কৰিছে। পৰিষদৰ নিৰ্দেশনা অনুসৰি শিক্ষাৰ্থীসকলে অহা ১৭ এপ্ৰিলৰ পৰা দৰ্পন প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। শিক্ষাৰ্থীয়ে ২৪ এপ্ৰিলৰ ভিতৰত প'ৰ্টেলত নামভৰ্তিৰ বাবে আবেদন কৰিব লাগিব লাগিব। শিক্ষানুষ্ঠানসমূহে ২৫ আৰু ২৬ এপ্ৰিলত মেধাৰ তালিকা প্ৰস্তুত কৰি ২৭ এপ্ৰিলত প্ৰকাশ কৰিব। অহা ৩০ এপ্ৰিলৰ পৰা ১০ মে'ৰ ভিতৰত দৰ্পন প'ৰ্টেলত চূড়ান্ত নামভৰ্তিৰ তালিকা প্ৰকাশ পাব। নামভৰ্তি কৰিব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ বাবে পৰিষদে ১৫ মে' পৰ্যন্ত প'ৰ্টেলটো মুকলি ৰখাৰ ব্যৱস্থা কৰিব। এজন শিক্ষাৰ্থীয়ে সৰ্বাধিক ৫ খন বিদ্যালয়ত আবেদন কৰিব পাৰিব।

০০০০০

সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা পৰিষদ তথা চমুকৈ এ আই চি টি ই-য়ে ২০২৬ চনৰ ডিচেম্বৰৰ ভিতৰত সকলো অভিযান্ত্ৰিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে অসমীয়াকে ধৰি ১২টা ভাৰতীয় ভাষাত পাঠ্যপুথি সুলভ কৰাৰ বাবে অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। অসমীয়া ভাষাৰ লগতে গুজৰাটী, কানাড়া, হিন্দী, মালায়ালম, মাৰাঠী, ওড়িয়া, পাঞ্জাবী, তামিল, তেলেগু আৰু উৰ্দু ভাষাত পাঠ্যক্ৰমসমূহ উপলব্ধ হ'ব। প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ অভিযান্ত্ৰিক ডিপ্ল'মা আৰু ডিগ্ৰী পাঠ্যক্ৰমৰ বাবে ইতিমধ্যে ৬০০ খন পাঠ্যক্ৰম প্ৰস্তুত কৰি ১২টা আঞ্চলিক ভাষাত আপল'ড কৰা হৈছে। এ আই চি টি ই-ৰ অধ্যক্ষ, অধ্যাপক টি জি সীতাৰামে কয়, যে পাঠ্যপুথিসমূহৰ অনুবাদ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ কৰা হৈছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি বিয়লি চাৰে ৩ বজাত জয়পুৰত হ'বলগীয়া প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ্ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। সন্ধিয়া চাৰে সাত বজাত দিল্লীত হ'বলগীয়া দ্বিতীয়খন খেলত মুম্বাই ইণ্ডিয়ানছ্ ডেলহী কেপিটেলছ্ৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত